**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ৩৩৭**

**উত্তৰ দানৰ তাৰিখ : ১৪-০৭-২০২৬**

*বিষয়* : হাতী আৰু মানুহৰ সংঘাত হ্ৰাস

ড° তপন দাস, বিধায়ক :

মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) আমচাং সংৰক্ষিত বনাঞ্চল আৰু ইয়াৰ কাষৰীয়া অঞ্চলত মানুহ-হাতী সংঘাত হ্ৰাস কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) বনাঞ্চলত অবৈধ দখল আৰু বন ধ্বংস ৰোধ কৰিবলৈ কি পদক্ষেপ লোৱা হৈছে ?

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) আমচাং অভয়াৰণ্য আৰু ইয়াৰ কাষৰীয়া অঞ্চলত হাতী মানুহৰ সংঘাত প্ৰতিৰোধ কৰাৰ বাবে তলত উল্লেখ কৰা কাৰ্যপন্থা সমুহ হাতত লোৱা হৈছে:-

১/ হাতী আৰু মানুহৰ সংঘাতৰ সম্ভাবনা থকা গাঁও সমুহত নিয়মীয়া তহলদাৰী কৰাৰ লগতে উক্ত অঞ্চল সমুহত প্ৰয়োজন সাপেক্ষে বিনামূলীয়া টৰ্চ লাইট, কেৰচিন তেল, ফটকা ইত্যাদি বিতৰণ কৰা হয়।

২/ বন্যপ্ৰাণী কৰ্মীৰ দ্বাৰা নিৰন্তৰ টহল দিয়াৰ ব্যৱস্থাৰ মাধ্যমেৰে হাতীৰ গতিবিধিৰ নিৰিক্ষন কৰা লগতে হোৱাটছএপ গোট সৃষ্টিৰ মাধ্যমেৰে সেই তথ্য ৰে'ল আৰু বন বিভাগ উভয়ৰে ভাগ-বতৰা কৰা হয়।

৩/ আঘাতপ্ৰাপ্ত বন্যহস্তী উদ্ধাৰ আৰু পুনৰ্বাসনৰ বাবে অসম ৰাজ্যিক চিৰিয়াখানা আৰু বন্যপ্ৰাণী পুনৰ্বাসন আৰু সংৰক্ষণ কেন্দ্ৰ (CWRC)ৰ পশু চিকিৎসা দলৰ সহায়ত বন সংমণ্ডল প্ৰাধিকাৰী সকলে ব্যৱস্থা গ্ৰহণ কৰে।

৪/ হাতীৰ উপদ্ৰৱ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত বিভাগীয় ফালৰ পৰা ৰেল বিভাগ, পঞ্চায়ত, গাঁও প্ৰধান, বিদ্যুত বিভাগ, বেচৰকাৰী সংস্থাৰ লগত আলোচনা মৰ্মে সমন্বয় সমিতি গঠন কৰা হৈছে।

৫/ হাতী আৰু মানুহৰ সংঘাত নিৰাময়ৰ বাবে ৰাজ্যিক অধিসূচনা মৰ্মে জিলা উপায়ুক্তৰ অধ্যক্ষতাত সময়ে সময়ে দল সংগঠন আৰু অন্যান্য চৰকাৰী ও বেচৰকাৰী বিভাগৰ লগত সভা আহ্বান কৰি হাতী-মানুহৰ সংঘাতৰ বিষয়ে আলোচনা কৰা হয় আৰু সেই হিচাপে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হয়।

৬/ হাতী মানুহৰ সংঘাতৰ ফলত আঘাত প্ৰাপ্ত বা প্ৰান হেৰুৱা লোকক বিভাগীয় অধীসূচনাৰ বিধানমতে এক কালীন সাহাৰ্য্য প্ৰদান কৰা হয়।

(খ) আমচাং অভয়াৰণ্যৰ বনাঞ্চলত অবৈধ দখল আৰু বন ধ্বংস ৰোধ কৰিবলৈ পদক্ষেপ সমুহ তলত উল্লেখ কৰা হ'ল:-

(১) অবৈধ বন ধ্বংস, চোৰাং চিকাৰী আৰু অবৈধ বনভূমি দখল আদি কাৰ্যকলাপ নিৰিক্ষন আৰু প্ৰতিৰোধৰ উদ্যেশে নতুন চোৰাং চিকাৰী বিৰোধী শিবিৰ (Anti Poaching Camp) আৰু পৰ্যবেক্ষণ টাৱাৰ (Watch Tower) নিৰ্মান কৰা হৈছে।

(২) বন্যপ্ৰাণী শাখাৰ কৰ্মচাৰী সলকৰ দ্বাৰা নিয়মীয়া তহলদাৰীৰ কাৰ্য সম্পাদন কৰাৰ লগতে সময়ে সময়ে Combing Operation ৰ ব্যৱস্থা কৰা হয়।

(৩) আমচাং অভয়াৰণ্যৰ সীমান্তবৰ্তী গাঁও সমুহৰ স্থানীয় লোক সমুহক অন্তৰ্ভুক্ত কৰি সংৰক্ষনমুলক কাৰ্য্যসূচী ৰূপায়ন আৰু সমাজকল্যান মুলক কাৰ্য্য সম্পাদনৰ উদ্দেশ্যে ইক ডেভলপমেন্ট কমিটী (Eco Development Committee) গঠন কৰা হৈছে।

****